# পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ ৰাজহৰ উৎসসমূহ
## [SOURCES OF THE REVENUES OF PRIS]

ৰাজ্যসমূহৰ পঞ্চায়ত আইন অনুসৰি পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ পুঁজি প্ৰধানতঃ তিনি প্ৰকাৰে গঠিত হয়— কৰ সংগ্ৰহৰ জৰিয়তে, ৰাজ্য বা কেন্দ্ৰ চৰকাৰৰপৰা লাভ কৰা সহায়ক অনুদানৰ জৰিয়তে আৰু কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰপৰা লাভ কৰা ঋণৰ জৰিয়তে। এইবোৰৰ উপৰিও প্ৰত্যেকটো পঞ্চায়তীৰাজ অনুষ্ঠানৰে কিছুমান নিজস্ব সম্পত্তি থাকে, যাৰপৰা লাভ কৰা সকলো ধন পঞ্চায়ত অনুষ্ঠানটোৰ পুঁজিত জমা হয়।

৭৩তম সংশোধনীৰ আধাৰত ভাৰতবৰ্ষৰ প্ৰায়বোৰ ৰাজ্যই পঞ্চায়ত আইন প্ৰৱৰ্তন কৰি ইয়াৰ অধীনৰ পঞ্চায়ত অনুষ্ঠানবোৰক কৰ সংগ্ৰহ কৰি পুঁজি গঠনৰ বাবে ক্ষমতা প্ৰদান কৰিছে। মূলতঃ তিনি প্ৰকাৰৰ কৰ সংগ্ৰহৰ জৰিয়তে পঞ্চায়ত অনুষ্ঠানসমূহে পুঁজি টনকিয়াল কৰে। সেই তিনি প্ৰকাৰৰ কৰ হ'ল ঃ

১। **পঞ্চায়ত অনুষ্ঠানৰ নিজা কৰ** (Own Taxes) ঃ পঞ্চায়তে নিজে আৰোপ কৰা আৰু সংগ্ৰহ কৰিব পৰা কৰ।

২। **নিৰূপিত কৰ** (Assigned Taxes) ঃ ৰাজ্য চৰকাৰে আৰোপ কৰা আৰু সংগ্ৰহ কৰা কিন্তু পঞ্চায়তৰ কামত খৰচ কৰা।

৩। **সমূহীয়া কৰ** (Shared Taxes) ঃ ৰাজ্য চৰকাৰে আৰোপ কৰা আৰু সংগ্ৰহ কৰা কিন্তু পঞ্চায়তসমূহৰ মাজত বিতৰণ কৰা কৰ।

৭৩তম সংবিধান সংশোধনী আইনৰ আধাৰত অসমত ১৯৯৪চনত অসম পঞ্চায়ত আইন প্ৰৱৰ্তন কৰা হয়। এই আইনে অসমৰ পঞ্চায়তীৰাজ অনুষ্ঠানবোৰক ৰাজহ সংগ্ৰহ কৰাৰ ক্ষমতা প্ৰদান কৰিছে।

তলত অসমৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ ৰাজহৰ উৎস সম্পৰ্কে আলোচনা কৰা হ'ল ঃ

### গাঁও পঞ্চায়তৰ ৰাজহৰ উৎস (Sources of Revenue of Gaon Panchayat) ঃ

গাঁও পঞ্চায়তে সম্পাদন কৰিবলগীয়া উন্নয়নমূলক কাম-কাজসমূহৰ বাবে প্ৰত্যেকখন গাঁও পঞ্চায়তৰ একোটিকৈ নিজস্ব পুঁজি থাকে। গাঁও পঞ্চায়তে সংগ্ৰহ কৰা কৰ, ৰাজ্যিক বা কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা

অনুদান আৰু ঋণ, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত বা অন্য কোনো অনুষ্ঠানে আগবঢ়োৱা অনুদান-বৰঙণি আদিৰে গাঁও পঞ্চায়তৰ পুঁজি গঠন হয়। গাঁও পঞ্চায়তে নিজে সংগ্ৰহ কৰা কৰক কৰভুক্ত ৰাজহ আৰু ৰাজ্য চৰকাৰ, কেন্দ্ৰ চৰকাৰ বা আন উপায়েৰে অহা ৰাজহক কৰ বহিৰ্ভূত ৰাজহ বোলা হয়।

**গাঁও পঞ্চায়তৰ সম্পত্তি আৰু পুঁজি (Property and Fund of Gaon Panchayat) ঃ**

১৯৯৪ চনৰ অসম পঞ্চায়ত আইনৰ চতুৰ্থ অধ্যায়ৰ ২৩-নং ধাৰাত গাঁও পঞ্চায়তৰ সম্পত্তি আৰু পুঁজি সম্পৰ্কে উল্লেখ আছে। আইন অনুসৰি তলত দিয়া সম্পত্তিসমূহৰ ওপৰত গাঁও পঞ্চায়তে কৰ্তৃত্ব লাভ কৰেঃ

১। (ক) গাঁও পঞ্চায়তৰ নিজস্ব এলেকাত থকা আৰু কেন্দ্ৰীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ বা কোনো স্থানীয় চৰকাৰী কৰ্তৃত্বৰ তলত নথকা সকলো সামূহিক সম্পত্তি।

(খ) কেন্দ্ৰীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ বা আন কোনো স্থানীয় কৰ্তৃত্বৰ অধীনত নথকা ৰাজহুৱা বাট-পথ, দলং, কালভাৰ্ট, নলা-নৰ্দমা, গছ-গছনি, পুখুৰী, জান-জুৰি, ৰাস্তাৰ কাষৰত থকা ৰাজহুৱা সা-সম্পত্তি ইত্যাদি।

(গ) সকলো ৰাজহুৱা খাল, জলস্ৰোত, পাৰঘাট, দমকল, পাইপ আদি যিবোৰ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ বা অন্যান্য স্থানীয় কৃৰ্তত্বৰ আওতাত নাথাকে।

(ঘ) ৰাজহুৱা স্থানত থকা পোহৰ ব্যৱস্থা, পোহৰসংলগ্ন খুঁটা, ঘৰ, ৰাজহুৱা পানী যোগানৰ সম্পত্তি ইত্যাদি, যিবোৰ কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰ বা আন কোনো স্থানীয় কৰ্তৃপক্ষৰ অধীনত নাথাকে।

(ঙ) পথত থকা সকলো পেলনীয়া জাবৰ-জোঁথৰ, আৱৰ্জনা, মল-মূত্ৰ ইত্যাদি।

(চ) গাঁও পঞ্চায়তে নিৰ্মাণ কৰা সকলো পকী ঘৰ আৰু কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰে গাঁও পঞ্চায়তলৈ হস্তান্তৰ কৰা মাটি, পকী ঘৰ আৰু অন্যান্য সম্পত্তিসমূহ।

২। গাঁও পঞ্চায়তে চৰকাৰৰ অনুমোদনক্ৰমে সম্পত্তি আহৰণ কৰা, সংৰক্ষণ কৰা, বিক্ৰী কৰাৰ আৰু সম্পত্তিৰ বিষয়ে চুক্তিবদ্ধ হোৱাৰ অধিকাৰ লাভ কৰিছে।

৩। গাঁও পঞ্চায়তৰ বাহিৰৰ পুঁজিৰদ্বাৰা নিৰ্মাণ কৰা ৰাস্তা, দলং আৰু নলা-নৰ্দমা আদিবোৰ ৰাজ্যিক চৰকাৰে গাঁও পঞ্চায়তৰ আওতাৰ বাহিৰত ৰাখিব পাৰে। কিন্তু এই একেবোৰ কাৰ্যৰ বাবে গাঁও পঞ্চায়তৰ পুঁজি ব্যৱহাৰ কৰিলে তাৰ মালিকীস্বত্ব গাঁও পঞ্চায়তে লাভ কৰিব পাৰে।

৪। চৰকাৰে গাঁও পঞ্চায়তক ইয়াৰ নিজস্ব এলেকাত থকা যিকোনো সা-সম্পত্তিৰ কৰ্তৃত্ব দিব পাৰে।

**পুঁজি (Fund) ঃ**

গাঁও পঞ্চায়তৰ দায়িত্বসমূহ কাৰ্যত ৰূপায়িত কৰাৰ বাবে পুঁজিৰ প্ৰয়োজন। ১৯৯৪ চনৰ অসম পঞ্চায়ত আইনৰ ২৪-নং ধাৰাত গাঁও পঞ্চায়তৰ পুঁজি সম্পৰ্কে স্পষ্টভাবে উল্লেখ কৰা আছে। উক্ত ধাৰাত উল্লেখ থকা অনুযায়ী প্ৰত্যেকখন গাঁও পঞ্চায়তৰে একোটিকৈ নিজস্ব পুঁজি থাকিব। এই পুঁজি তলত দিয়া বিভিন্ন মাধ্যমৰপৰা অহা ধনেৰে গঠিত হ'ব ঃ

১। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰপৰা অহা বৰঙণি আৰু অনুদান।

২। জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত বা অন্য কোনো স্থানীয় কৰ্তৃত্বৰপৰা অহা দান আৰু বৰঙণি।

৩। কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰে দিয়া ঋণ।
৪। কৰ-কাটল, ভাৰা আদিৰ বাবদ লাভ কৰা সকলো ধন।
৫। গাঁও পঞ্চায়তৰ অধীনত থকা নাইবা গাঁও পঞ্চায়তে নিৰ্মাণ কৰা বিদ্যালয়, চিকিৎসালয়, স্বাস্থ্যকেন্দ্ৰ, ঘৰ, অনুষ্ঠান অদিৰ মাধ্যমেৰে লাভ কৰা সকলো ধন।
৬। গাঁও পঞ্চায়তলৈ উপহাৰ হিচাপে কোনো ন্যাসৰ ফালৰপৰা আগবঢ়োৱা ধন।
৭। পঞ্চায়ত আইনখনৰ মাধ্যমেৰে কোনো অপৰাধীৰ ওপৰত লগোৱা জৰিমনাৰ জৰিয়তে লাভ কৰা ধন। আৰু,
৮। গাঁও পঞ্চায়তে আন আন উপায়েৰে লাভ কৰা ধন।

আইনখনত উল্লেখ কৰা আছে যে গাঁও পঞ্চায়তসমূহ পৰিচালনাৰ বাবে তথা গাঁও পঞ্চায়তৰ কাৰ্যালয় খৰচৰ বাবে সংশ্লিষ্ট গাঁও পঞ্চায়তখনে ইয়াৰ নিজস্ব পুঁজিৰপৰা ধন খৰচ কৰিব পাৰিব। কিন্তু এনেদৰে খৰচ কৰা ধনৰ পৰিমাণ কোনো ক্ষেত্ৰতে মুঠ খৰচৰ এক-তৃতীয়াংশতকৈ অধিক হ'ব নোৱাৰে।

**কৰাৰোপ (Taxation) ঃ** গাঁও পঞ্চায়তৰ পুঁজি টনকিয়াল কৰাৰ স্বাৰ্থত গাঁও পঞ্চায়তক কৰাৰোপ কৰাৰ ক্ষমতা অৰ্পণ কৰা হৈছে। ১৯৯৪ চনৰ অসম পঞ্চায়ত আইনে গাঁও পঞ্চায়তক তলত উল্লেখ কৰা কৰসমূহ আৰোপ কৰাৰ ক্ষমতা প্ৰদান কৰিছে ঃ

১। স্থানীয় সীমাৰ ভিতৰত থকা গৃহ আৰু নিৰ্মাণকাৰ্যত গাঁও পঞ্চায়তে বছৰেকীয়া হিচাপত কৰ আৰোপ কৰিব পাৰে।
২। স্থানীয় নিকায়ৰ অন্তৰ্গত ব্যৱসায় আৰু বৃত্তিৰপৰা বছৰেকীয়া আয়ৰ হিচাপত ভিত্তি কৰি আৰোপ কৰা কৰ।
৩। ৰাজহুৱা কৰ্মশালাৰ স্থান নাইবা ধৰ্মীয় মেলা আদিত স্বাস্থ্যসন্মত পৰিচ্ছন্নতাৰ ব্যৱস্থা গ্ৰহণ কৰি দিয়া বাবদ আদায় কৰা মাচুল।
৪। গাঁও পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত গাঁও পঞ্চায়তে নিৰ্মাণ কৰা পানীযোগান তথা জলসিঞ্চনৰ ব্যৱস্থাৰ ওপৰত লগোৱা মাচুল।
৫। ৰাজহুৱা বাট-পথ আৰু আন স্থানত পোহৰৰ ব্যৱস্থা কৰি তাৰ ওপৰত আৰোপ কৰা মাচুল।
৬। গাঁও পঞ্চায়তৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত ব্যক্তিগত পায়খানা, প্ৰস্ৰাৱগাৰ আদি চাফা কৰাৰ বাবদ লাভ কৰা মাচুল।

১৯৯৪ চনৰ পঞ্চায়ত আইন আৰু উপ-বিধিৰ জৰিয়তে গাঁও পঞ্চায়তে তলত উল্লেখ কৰা বিষয়সমূহৰ পৰা ধন সংগ্ৰহ কৰিব পাৰে ঃ

১। খৰি, খেৰ, তালপাত আদি বিক্ৰী কৰি পোৱা ধন।
২। ব্যক্তিগত কুটীৰ আৰু ব্যক্তিগত মীনমহলৰ ওপৰত শুল্ক আৰোপৰ জৰিয়তে পোৱা ধন।
৩। দোকান, ফাৰ্মাচী, দৰ্জীৰ দোকান, ধোবাখানা, চেলুন, মিস্ত্ৰীৰ কাম, টি ভি, ৰেডিঅ' আদি মেৰামতি কৰা দোকান আদিৰ ওপৰত শুল্ক আৰোপৰ জৰিয়তে পোৱা ধন।
৪। একেৰাহে দুবছৰ ধৰি কোনো খেতি-বাতি নকৰি এনেয়ে পতিত পেলাই থোৱা মাটিৰ ওপৰত বিঘাই প্ৰতি ২৫পইচাৰ বেছি নোহোৱাকৈ আৰোপ কৰা কৰ।

৫। তলত উল্লেখ কৰা বিষয়ৰ ওপৰত মাচুল আদায়ৰ জৰিয়তে ঃ

(ক) স্থানীয় অঞ্চলত পশুধন বিক্ৰী কৰাৰ বাবদ মাচুল।

(খ) চাহ দোকান, মিঠাইৰ দোকান, হোটেল, মাংসৰ দোকান, ৰেষ্টুৰেণ্ট আদিৰ ওপৰত লগোৱা মাচুল।

(গ) গৰু গাড়ী, যাত্ৰীবাহী গাড়ী, নাও আৰু যিকোনো ধৰণৰ ৰিক্সা আদিৰ ওপৰত লগোৱা মাচুল।

ওপৰত উল্লেখ কৰা সকলো কৰ, শুল্ক, মাচুল আদি আৰোপ কৰা আৰু সংগ্ৰহ কৰা আদি পঞ্চায়ত আইন মতে হ'ব লাগিব।

কোনো ব্যক্তিয়ে যদি কিবা ক্ষেত্ৰত আপত্তি কৰে তেন্তে তেওঁ সেই আপত্তি সম্পৰ্কে আঞ্চলিক পঞ্চায়তত আপীল কৰিব পাৰে। আকৌ আঞ্চলিক পঞ্চায়তৰ ৰায়ত সন্তুষ্ট নহ'লে তেওঁ জিলা পৰিষদৰ কাষ চাপিব পাৰে। জিলা পৰিষদে প্ৰদান কৰা ৰায়ক এই ক্ষেত্ৰত চূড়ান্ত বুলি গণ্য কৰা হ'ব।

ৰাজ্যিক চৰকাৰে যিকোনো সময়তে গাঁও পঞ্চায়তে আৰোপ কৰা কৰ, শুল্ক, মাচুল আদি উঠাই দিব পাৰে আৰু জিলা পৰিষদৰ সৈতে আলোচনা কৰি সেইসমূহ পুনৰাই আৰোপ কৰিবও পাৰে।

**আঞ্চলিক পঞ্চায়তৰ ৰাজহৰ উৎস** (Sources of Revenue of Anchalik Panchayat)ঃ

প্ৰত্যেকখন ৰাজ্যতে আঞ্চলিক পঞ্চায়তসমূহৰ বাবে নিজস্ব একোটা পুঁজিৰ ব্যৱস্থা আছে। আঞ্চলিক পঞ্চায়তে সংগ্ৰহ কৰা সকলো ধন এই পুঁজিত জমা হয়। অসম পঞ্চায়ত আইন ১৯৯৪-ৰ ৫৬-নং দফাত অসমৰ আঞ্চলিক পঞ্চায়তৰ পুঁজি সম্পৰ্কে উল্লেখ আছে। উক্ত আইন মতে প্ৰত্যেক আঞ্চলিক পঞ্চায়তৰ নামত পুঁজি গঠন কৰা হ'ব। বিভিন্ন উৎসৰপৰা আঞ্চলিক পঞ্চায়তৰ পুঁজি গঠন হয়। তলত উল্লেখ কৰা বিভিন্ন উপায়েৰে আঞ্চলিক পঞ্চায়তৰ পুঁজি গঠন হয় ঃ

১। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰে আগবঢ়োৱা বিত্তীয় অনুদান আৰু চৰকাৰে নিৰ্ধাৰণ কৰি সংগ্ৰহ কৰা ভূমি ৰাজহৰ এটা অংশ আঞ্চলিক পঞ্চায়তলৈ আগবঢ়াব পাৰে।

২। জিলা পৰিষদ নাইবা আন কোনো স্থানীয় সংস্থাই আগবঢ়োৱা অনুদান।

৩। কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰে আগবঢ়োৱা ঋণ।

৪। আঞ্চলিক পঞ্চায়তে আৰোপ কৰা মাচুল, শুল্ক, কৰ আদিৰ জৰিয়তে আহৰণ কৰা ধন।

৫। আঞ্চলিক পঞ্চায়তৰ তত্ত্বাৱধানত আৰু নিয়ন্ত্ৰণত নিৰ্মাণ হোৱা বিদ্যালয়, চিকিৎসালয়, গৃহ, অনুষ্ঠান কাৰ্যালয় আদিৰপৰা আহৰণ কৰা ধন।

৬। আঞ্চলিক পঞ্চায়তলৈ যিকোনো ন্যাস বা অন্য প্ৰতিষ্ঠানৰপৰা অহা দান, বৰঙণি, উপহাৰ ইত্যাদি।

৭। পঞ্চায়ত আইনৰ বিধি অনুসাৰে পাবলগা জৰিমনা আদি আঞ্চলিক পঞ্চায়তৰ পুঁজিত জমা হয়।

প্ৰত্যেক আঞ্চলিক পঞ্চায়তে আইন অনুসৰি ইয়াৰ পুঁজিৰ এক নিৰ্দিষ্ট পৰিমাণ খৰচ কৰিব পাৰে।

**কৰাৰোপ (Taxes) ঃ** আঞ্চলিক পুঁজি টনকিয়াল কৰাৰ স্বাৰ্থত আঞ্চলিক পঞ্চায়তে ইয়াৰ অধীনত থকা এলেকাৰ বিভিন্ন বিষয়ৰ ওপৰত কৰাৰোপ কৰিব পাৰে। চৰকাৰে নিৰ্ধাৰিত কৰা নিম্নতম নিৰিখৰ আধাৰত আঞ্চলিক পঞ্চায়তে তলত দিয়া ধৰণে কৰাৰোপ কৰিব পাৰে ঃ

১। আঞ্চলিক পঞ্চায়তৰ তত্ত্বাৱধানত নিৰ্মিত পকী বাট-পথ বা দলঙৰ ওপৰেৰে অহা-যোৱা কৰা মানুহ, যান-বাহন, জীৱ-জন্তু আদিৰ ওপৰত আৰোপ কৰা কৰ।

২। আঞ্চলিক পঞ্চায়তৰ অধীনত স্থাপন হোৱা বা ইয়াৰ পৰিচালনাত থকা ফেৰীসেৱাৰ ওপৰত আৰোপ কৰা কৰ।

৩। চৰকাৰৰ ভূমি ৰাজহৰ টকাই প্রতি দুই পইচাকৈ ওপৰঞ্চি কৰ লগাব পাৰে।

৪। আঞ্চলিক পঞ্চায়তৰ অধীনত নির্মিত ক্ষুদ্র জলসিঞ্চন প্রকল্প বা পানীযোগান প্রকল্পৰ বাবে হোৱা খৰচ পূৰাবৰ বাবে অথবা এই আঁচনিবোৰ চলাই নিবৰ বাবে প্রয়োজনীয় ধনৰ বাবে পানী যোগান কৰ বহুৱাব পাৰে।

৫। পোহৰ আৰু খোৱাপানী যোগানৰ বাবদ আঞ্চলিক পঞ্চায়তে কৰ আৰোপ কৰিব পাৰে।

৬। আঞ্চলিক পঞ্চায়তৰ অধীনস্থ এলেকাত আঞ্চলিক পঞ্চায়তে যিকোনো ব্যক্তিগত বৃত্তি, বেহা-বেপাৰ, উৎপাদন আদিৰ ওপৰত বিধি মতে কৰ আৰোপ কৰিব পাৰে।

৭। আঞ্চলিক পঞ্চায়তৰ এলেকাত থকা চিনেমা হল, ইটাভাটা, কাঠফলা ঘৰ, ধান মিল, মেলা, বেকাৰী, ব্যক্তিগত পুখুৰী, শাক-পাচলিৰ বাগিচা আদি যিবোৰ ব্যৱসায়িক ভিত্তিত কৰা হয় সেইবোৰৰ ওপৰত কৰাৰোপ কৰিব পাৰে।

ওপৰোক্ত ধৰণে আঞ্চলিক পঞ্চায়তে বিভিন্ন বিষয়ৰ ওপৰত কৰ বহুৱাব পাৰে। কিন্তু কৰ আৰোপ কৰা আৰু সংগ্রহ কৰা আদি ক্ষেত্রত আঞ্চলিক পঞ্চায়তে আইনৰ বিধি মানি চলিব লাগিব। আঞ্চলিক পঞ্চায়তে আৰোপ কৰা যিকোনো কৰৰ ওপৰত কোনো ব্যক্তি বা অনুষ্ঠানৰ আপত্তি থাকিলে জিলা পৰিষদৰ ওচৰত আবেদন কৰিব পাৰে। এনে ক্ষেত্রত জিলা পৰিষদৰ সিদ্ধান্তই চূড়ান্ত। প্রাকৃতিক দুর্যোগৰ সময়ত আঞ্চলিক পঞ্চায়তে আৰোপ কৰা কৰ, মাচুল আদি চৰকাৰে স্থগিত কৰিব পাৰে বা ৰেহাই দিব পাৰে।

আঞ্চলিক পঞ্চায়তে প্রয়োজন হ'লে চৰকাৰ বা অন্য অনুষ্ঠান যেনে বেংক বা অন্য আর্থিক অনুষ্ঠানৰ পৰা ঋণ গ্রহণ কৰিব পাৰে।

**জিলা পৰিষদৰ ৰাজহৰ উৎস (Sources of Revenue of Zilla Parishad) ঃ**

প্রত্যেকখন ৰাজ্যৰ সঞ্চিত পুঁজি (Consolidated Fund) থকাৰ নিচিনাকৈ জিলা পৰিষদসমূহৰো নিজস্ব একোটা পুঁজি থাকে। জিলা পৰিষদে সংগ্রহ কৰা সকলো প্রকাৰৰ ধন এই পুঁজিত জমা হয়। অসমৰ জিলা পৰিষদৰ পুঁজি সম্পর্কে অসম পঞ্চায়ত আইন, ১৯৯৪-ৰ ৯১-নং ধাৰাত উল্লেখ আছে। ধাৰাত উল্লেখ থকা অনুসৰি প্রত্যেক জিলা পৰিষদৰ বাবে একোটিকৈ পুঁজি থাকিব যাক জিলা পৰিষদ পুঁজি নামেৰে জনা যাব। জিলা পৰিষদৰ পুঁজি বিভিন্ন উৎসৰপৰা অহা ধনেৰে গঠিত হয়। জিলা পৰিষদৰ পুঁজি গঠন হোৱা বিভিন্ন উৎসসমূহ হ'ল ঃ

১। ৰাজ্যৰ সঞ্চিত তহবিলৰ (Consolidated Fund)-ৰপৰা জিলা পৰিষদলৈ হস্তান্তৰিত হোৱা ধন।

২। চৰকাৰৰপৰা লাভ কৰা আটাইবোৰ দান, বৰঙণি, ঋণ ইত্যাদি।

৩। জিলা পৰিষদৰ অধীনত আদায় কৰা সকলো ধৰণৰ মাচুল, জৰিমনা ইত্যাদি।

৪। জিলা পৰিষদৰ অধীনৰ সকলো ভূমি আৰু সম্পত্তিৰপৰা আহৰণ কৰা ধন।

৫। ব্যক্তিগত খণ্ডৰপৰা বা আন কোনো প্রতিষ্ঠানৰপৰা লাভ কৰা সাহায্য, অনুদান, উপহাৰ ইত্যাদি।

৬। জিলা পৰিষদে বিক্রী কৰা ভূমি বা আন সম্পত্তি আদিৰপৰা পোৱা ধন।

৭। অসম পঞ্চায়ত আইনৰ যোগেদি পোৱা সকলো ধৰণৰ ধন।

**কৰাৰোপ (Taxation) ঃ** প্ৰত্যেকখন ৰাজ্যৰে জিলা পৰিষদসমূহৰ পুঁজি টনকিয়াল কৰাৰ বাবে পৰিষদসমূহক কৰ আৰোপ কৰা আৰু সংগ্ৰহ কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে। অসম পঞ্চায়ত আইন, ১৯৯৪-ৰ ৯৫-নং ধাৰাত অসমৰ জিলা পৰিষদৰ কৰ আৰোপ সম্পৰ্কে উল্লেখ আছে। ৰাজ্য চৰকাৰে প্ৰদান কৰা অনুমতি অনুসৰি জিলা পৰিষদে তলত দিয়া বিষয়বোৰৰ ওপৰত কৰ আৰোপ আৰু সংগ্ৰহ কৰিব পাৰেঃ

১। জিলা পৰিষদে পৰিচালনা কৰা প্ৰত্যেকটো পাৰঘাটৰ ওপৰত।

২। তলত দিয়া বিষয়সমূহৰপৰা কৰ আদায় কৰিব পাৰে ঃ

(ক) নাও বা অন্য যান-বাহন পঞ্জীয়ন কৰোঁতে আৰোপিত কৰ।

(খ) ৰাজহুৱা স্থান যেনে উপাসনাগৃহ, মেলা আদিত প্ৰস্ৰাৱখানা আৰু পায়খানা নিৰ্মাণ কৰি দিয়া বাবদ।

(গ) মেলা (Fair)-ৰ অনুজ্ঞা-পত্ৰ দিয়াৰ বাবদ।

(ঘ) জিলা পৰিষদৰ নিজৰ এলেকাত পোহৰৰ ব্যৱস্থা কৰি দিয়াৰ বাবদ।

(ঙ) জিলা পৰিষদৰ এলেকাত খোৱাপানীৰ যোগান, জলসিঞ্চন ব্যৱস্থা আদিৰ বাবদ।

**সহায়ক অনুদান**